অসম জাতীয় বিদ্যালয়
Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020
কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)
e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ : অজাবি/০০৯/০৭/২১-২২
*Ref :*

তাৰিখ : ২১-১১-২০২১
*Date :*

# লাচিত দিৱসত বন্ধৰ বিপৰীতে অতিৰিক্ত কাম, অসম জাতীয় বিদ্যালয়ত ব্যতিক্ৰমী কাৰ্য্যসূচী

**নুনমাটি, গুৱাহাটী, ২২ নৱেম্বৰ ঃ** অহা ২৪ নৱেম্বৰ তাৰিখে অসম জাতীয় বিদ্যালয়ত ব্যতিক্ৰমী ধৰণেৰে 'লাচিত দিৱস' উদ্‌যাপন কৰিবলৈ লোৱা হৈছে। অসমীয়া জাতিৰ কৰ্মোদ্যম আৰু বীৰত্বৰ প্ৰতীকস্বৰূপ আহোম সেনাপতি লাচিত বৰফুকনৰ কৰ্ম আৰু আদৰ্শৰ সৈতে শিক্ষাৰ্থীসকলক পৰিচিত কৰোৱাৰ উদ্দেশ্যে সম্পূৰ্ণ ক'ভিড বিধিৰে এই দিৱস অনুষ্ঠিত কৰা হ'ব। লাচিত বৰফুকনৰ কৰ্মনিষ্ঠতা আৰু সময়ানুৱৰ্তিতাৰ আদৰ্শ সাৱোগত কৰি সেইদিনা বিদ্যালয়ৰ পাঠদান কাৰ্য্যসূচী নিয়মীয়াকৈ চলিব। পাঠদান কাৰ্য্যসূচী সমাপ্ত হোৱাৰ পাছতহে বিয়লি ২.৪০ বজাৰ পৰা দিৱসৰ কাৰ্য্যসূচী অনুষ্ঠিত কৰা হ'ব। বিদ্যালয়ৰ নিয়মীয়া সময়সূচীৰ উপৰি শিক্ষাৰ্থী আৰু শিক্ষক-কৰ্মচাৰীসকলে 'লাচিত দিৱস'ৰ দিনটোত এঘণ্টাকৈ অধিক সময় বিদ্যালয়ত কাৰ্য্যসূচীৰ বাবে উপস্থিত থাকিব। এই কাৰ্য্যসূচীত বীৰ লাচিতৰ প্ৰতিকৃতিৰ সন্মুখত মাল্যাৰ্পণ, শ্ৰদ্ধা নিবেদনৰ উপৰি লাচিত বৰফুকনকে আদি কৰি আন বীৰ-বীৰাংগণাসকলৰ বীৰগাঁথা, আদৰ্শ, তেওঁলোকৰ জীৱন-কৃতি আদিতো আলোকপাত কৰা হ'ব। বিদ্যালয় ছুটীৰ পাছত শ্ৰেণীকোঠাতেই আয়োজন কৰা এই অনুষ্ঠানত পঞ্চম শ্ৰেণীৰ পৰা একাদশ শ্ৰেণীৰ শিক্ষাৰ্থীসকলে অংশগ্ৰহণ কৰি দেশপ্ৰেমমূলক গীত-মাত, বক্তৃতাকে আদি কৰি সাংস্কৃতিক অনুষ্ঠানো পৰিৱেশন কৰিব।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়